অসম

ত্রয়োদশ শিলিগুড়ি চৰ্ট ফিল্ম ফেষ্টিভেললৈ আমন্ত্রণ ডিগবৈৰ গোপাল চন্দ্র দাস

প্রকাশ: ২২ নৱেম্বৰ ২০২৬, পুৱা ১১:১৪



Digboi social worker Gopal Chandra Das (Bijoy Sutradhar)

উত্তৰবঙ্গৰ শিলিগুড়ি চহৰত ফেডাৰেচন অৰ ফিল্ম ছচাইটি অৰ ইণ্ডিয়াৰ সহযোগত শিলিগুড়ি চিনে ছচাইটিৰ

উদ্যোগত ২৩ৰ পৰা ২৭ নৱেম্বৰলৈকে আয়োজিত ত্রয়োদশ শিলিগুড়ি চুটি ছবি ফেষ্টিভেললৈ আমন্ত্রণ লাভ কৰিছে ডিগবৈৰ বিশিষ্ট সমাজকর্মী গোপাল চন্দ্র দাসে। ভাৰতবর্ষৰ বিভিন্ন প্রান্তৰ বহুকেইগৰাকী গণ্য মান্য বিশিষ্ট ব্যক্তি, দেশ বিদেশৰ নির্ণায়ক মণ্ডলী(জুৰী), প্রযোজক, পৰিচালকৰ উপস্থিতিত বহু কেইখন চুটিছবি আৰু ডকুমেন্টৰী উক্ত ফেচষ্টিভেলত প্রদর্শিত হব। উক্ত কার্যসূচীত পাঁচখন অসমীয়া চুটিছবি ক্রমে The oldman's Ode, Marfat, Wrong Number, Where did our river, Martya আৰু ডকুমেন্টৰী প্রদর্শনৰ ব্যৱস্থা কৰা হৈছে। শিলিগুড়ি চিনে ছচাইটিৰ আজীৱন সভ্য তথা পৰামর্শ দাতা সমিতিৰ সদস্য, কেন্দ্রীয় শুল্ক আৰু আবকাৰী বিভাগৰ অৱসৰী সহকাৰী আয়ুক্ত, সমাজকর্মী গোপাল চন্দ্র দাসক শিলিগুড়িত অনুষ্ঠিত হবলগীয়া চুটিছবি মহোৎসৱলৈ বিশিষ্ট অতিথি হিচাপে নিমন্ত্রণ জনোৱাৰ বাবে ডিগবৈৰ বিভিন্ন অনুষ্ঠান প্রতিষ্ঠানে শুভেচ্ছা জনাইছে। উল্লেখ্য যে গোপাল চন্দ্র দাসে বিগত বহু বছৰ ধৰি দৰিদ্র মেধাৱী ছাত্র ছাত্রীক অনিতা দাস মেম'ৰিয়েল ফাউণ্ডেছনৰ জড়িয়তে আর্থিক সাহার্য্য প্রদান কৰি স্থানীয় ৰাইজৰ প্রশংসা বুটলিবলৈ সক্ষম হৈছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5153/troyodos-siliguri-sort-film-festibheloloi-amontron-digoboir-gopal-sondr-das